# জাননী

নং. এ.এফ.ডি.৩৭৭/চি.এম.এছ.জি.ওৱাই/২০১৯-২০/ 1980-83

মুখ্য মন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (ফিচাৰী মিছন চছাইটি) FMS- (CMSGUY) ২০২০-২১ বৰ্ষৰ অধীনত গ্ৰাম্যাঞ্চলত ৰাজহুৱা পুখুৰী খন্দাৰ বাবে দৰঙ জিলাৰ ইচ্ছুক আৰু নিম্ন লিখিত অৰ্হতা সম্পন্ন ৰাজহুৱা গোট বা অনুষ্ঠানৰ পৰা হিতাধিকাৰী নিৰ্বাচনৰ বাবে আবেদন পত্ৰ বিচৰা হৈছে।

**নিম্নতম অৰ্হতা ও চৰ্তাৱলী**

ৰাজহুৱা গোট, কৃষক উৎপাদক গোট/কোম্পানী/অনুষ্ঠান (FPG/FPC/FPO), আত্ম সহায়ক গোট (SHG), বেচৰকাৰী সন্থা (NGO) ইত্যাদি ৰাজহুৱা অনুষ্ঠানে এই আঁচনিত আবেদন কৰিব পাৰিব। এখন ৰাজহ গাওঁ ত এখন আবেদনহে গ্ৰহণযোগ্য। আবেদনকাৰীৰ অনুষ্ঠানটোত অতিকমেও দহ (১০) জন সদস্য থাকিব লাগিব।

| | |
|---|---|
| নুন্যতম মাটিৰ পৰিমাণ | ঃ ১.৩৮ হেঃ (প্ৰায় ১০.৫০ বিঘা) |
| প্ৰস্তাৱিত পুখুৰীৰৰ পানীকালি | ঃ ১.০০ হেঃ (৭.৫০ বিঘা) |
| মাটিৰ মালিকী স্বত্ব | ঃ আবেদনকাৰীৰ নিজৰ নামৰ মাটি, আবেদনকাৰীয়ে লীজত লোৱা মাটি, আবেদনকাৰীয়ে ভোগ কৰি থকা চৰকাৰী মাটি, আবেদনকাৰীয়ে দান সূত্ৰে পোৱা মাটি। |

- প্ৰস্তাৱিত মাটিখিনি গাওঁৰ ৰাজহুৱা অনুষ্ঠানৰ নামত, ধৰ্মীয় অনুষ্ঠান (যেনে সত্ৰ, মন্দিৰ, নামঘৰ মহজিদ আদি), বিদ্যালয়, মহাবিদ্যালয়, ক্লাব আদিৰ নামত থাকিব লাগিব। চৰকাৰী মাটিৰ ক্ষেত্ৰত, আবেদনকাৰীয়ে মাটিখিনি ভোগ দখল কৰি থাকিব লাগিব।
- আবেদনকাৰীয়ে লীজত লোৱা মাটিৰ ক্ষেত্ৰত ২০২২ চনৰ পহিলা জানুৱাৰীৰ পৰা অতিকমেও ৭ বছৰৰ বাবে ভোগ দখলৰ চুক্তি থাকিব লাগিব।
- একক পট্টাদাৰৰ ব্যক্তিগত মাটিৰ ক্ষেত্ৰত কোনো গোট /অনুষ্ঠানে লীজত ললে, অতিকমেও ১০(দহ) বছৰৰ বাবে ভোগ দখলৰ চুক্তি থাকিব লাগিব। এই ক্ষেত্ৰত আবেদনকাৰীয়ে পঞ্জীয়নভুক্ত দলিল (Registered Deed – Non Transferable) আবেদনৰ লগত গাঁঠি দিব লাগিব।
- চৰকাৰী মাটিৰ ক্ষেত্ৰত, আবেদনকাৰীয়ে দখল প্ৰমান পত্ৰ, অনুষ্ঠানৰ সংবিধান, সাধাৰণ সভাৰ প্ৰস্তাৱনা আদিৰ লগতে চক্ৰ বিষয়া বা জিলা উপায়ুক্ত ৰ পৰা আপত্তিবিহীন প্ৰমান পত্ৰ গাঠি দিয়াটো জৰুৰী।
- কাৰ্য্যবাহী সমিতিয়ে নিজৰ অনুষ্ঠানৰ পৰা নটাৰী যোগে আপত্তিবিহীন প্ৰমান পত্ৰ (No Objection Certificate) আৰু আঁচনিৰ কাম কৰিবলৈ ইচ্ছুকতা প্ৰকাশ পত্ৰ (Willingness certificate) জমা দিব লাগিব।
- প্ৰস্তৱিত মাটিখিনি ঋণমুক্ত হব লাগিব আৰু সেই মাটিত পুখুৰী খন্দাৰ বাবে অনুষ্ঠানৰ নিজৰ সদস্যৰ মাজত যিকোনো বিবাদৰ পৰা মুক্ত হব লাগিব।
- হিতাধিকাৰীয়ে যিকোনো ক্ষেত্ৰত আঁচনিৰ কাম সম্পূৰ্ণ কৰিব নোৱাৰিলে, আঁচনিৰ বিপৰীতে চৰকাৰে মোকলাই দিয়া ধন সম্পূৰ্ণকৈ ঘূৰাই দিবলৈ বাধ্য থাকিব আৰু এই চৰ্তাৱলীৰ সন্মতিৰ দস্তাবেজ নটাৰীযোগে মীন বিভাগক দাখিল কৰিব।
- আঁচনিৰ প্ৰাকঃকলন অনুসৰি হিতাধিকাৰীৰ অংশ জমা দিবলৈ হিতাধিকাৰীয়ে সন্মতি প্ৰকাশ কৰিব।

আঁচনিৰ সা-সুবিধা

| ক্ৰ নং | আঁচনিৰ কাম | প্ৰাকঃকলন অনুসৰি খৰছ | আঁচনিৰ খৰছৰ বিন্যাস | |
|---|---|---|---|---|
| | | | হিতাধিকাৰী অংশ | আঁচনিৰ অংশ |
| ১ | ৰাজহুৱা পুখুৰী খনন | প্ৰতি হেঃ ত ৮,৪০,০০০.০০ টকা (আঠ লাখ চল্লিছ হেজাৰ টকা) | নাই | ১০০ শতাংশ |
| ২ | মাছ পালনৰ লাগতিয়াল সামগ্ৰী (এক বছৰৰ বাবে) | প্ৰতি হেঃ ত ৪,০০,০০০.০০ টকা (চাৰি লাখ টকা) | ৭০ শতাংশ | ৩০ শতাংশ |

- নিৰ্ধৰিত আবেদন পত্ৰৰ সৈতে উল্লেখিত নথিসমূহ গাঠি দিব লাগিব। আবেদন পত্ৰ দৰঙ জিলাৰ জিলা মীন উন্নয়ন বিষয়াৰ কাৰ্য্যালয়ৰ পৰা সংগ্ৰহ কৰিব।
- **আবেদন পত্ৰ জমা দিয়াৰ অন্তিম তাৰিখ ২০ ফেব্ৰুৱাৰী - ২০২২**

০২.০২.২০২২

জিলা মীন উন্নয়ন বিষয়া
দৰঙঃঃমঙলদৈ